# ষষ্ঠ শ্ৰেণী (সমাজ বিজ্ঞান)

## উচ্চ প্ৰাথমিক পৰ্যায়ত সমাজ বিজ্ঞানৰ শিকন ফলাফল


**সূচনা ঃ**

উচ্চ প্ৰাথমিক পৰ্যায়ত সমাজ বিজ্ঞান বিষয়টোৱে মূলতঃ বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত ঘটি থকা বিভিন্ন ঘটনা-পৰিঘটনাৰ বিশ্লেষণাত্মক বোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই স্তৰতেই ছাত্ৰ-ছাত্ৰীক সমাজৰ ভিন ভিন স্তৰৰ মানুহৰ ভিন ভিন ৰীতি-নীতি, ভাষা-সংস্কৃতি আদিৰ বিষয়ে আভাস দিয়া হয়। মানবীয় প্ৰমূল্যবোধ, যেনে— সমব্যথা, সহানুভূতি, বিশ্বাস, শান্তি, সহযোগিতা, সামাজিক ন্যায়, পৰিৱেশৰ ৰক্ষণা-বেক্ষণ আদিৰ দৰে গঠনমুখী চিন্তাসমূহক ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰোথিত কৰাৰ ক্ষেত্ৰত সমাজ বিজ্ঞানৰ ভূমিকা অন্যতম। তদুপৰি এই বিষয়টোৱে এজন মানুহৰ মনত নিজৰ সামাজিক বাতাবৰণত ব্যক্তিৰ স্বকীয়তা তথা পৰিয়ালকেন্দ্ৰিক মানসিকতা গঢ় লোৱাত সমল যোগায় আৰু সমাজৰ ভৌগোলিক, ঐতিহাসিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদি বিভিন্ন উপাদানৰ লগত ব্যক্তি আৰু পৰিয়ালৰ ভাব বিনিময়ৰ পৰিসৰ গঢ়ি তোলে। বিবৰ্তনৰ গতিশীলতাৰ সৈতে ছাত্ৰ-ছাত্ৰীক চিনাকী কৰি দিয়াটো প্ৰয়োজন, যাতে তেওঁলোকে যথোচিত সজাগতা আৰু কৌশল আয়ত্ব কৰি আন্তঃসংযোগী বিষয়সমূহ উপলব্ধি কৰিব পাৰে।

**কাৰিকুলামৰ আকাংখিত লক্ষ্য ঃ**

উচ্চ প্ৰাথমিক স্তৰৰ শিক্ষা প্ৰাপ্তিৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে নিম্ন লিখিত বিষয়সূচীৰ জ্ঞান লাভ কৰিব—

- সময় আৰু স্থানভেদে ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰতিক্ৰিয়া কৰা বিভিন্ন আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ভাৱধাৰাৰ বিষয়ে বুজি পাব।
- মানুহৰ বাসভূমি আৰু অন্যান্য ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ স্থান হিচাপে পৃথিৱীৰ গুৰুত্ব উপলব্ধি কৰিব।
- নিজ নিজ অঞ্চলৰ লগত চিনাকী হোৱাৰ লগতে পৃথিৱীৰ ভিন ভিন অঞ্চলৰ আন্তঃনিৰ্ভৰশীলতাৰ বিষয়ে ধাৰণা লাভ কৰিব।
- পৃথিৱী ব্যাপী উপলব্ধ ভিন ভিন সম্পদবোৰ আৰু সেইবোৰৰ সংৰক্ষণৰ বিষয়ে বুজি পাব।
- ভাৰত বুৰঞ্জীৰ বিভিন্ন যুগৰ ঐতিহাসিক বিকাশ সম্বন্ধে অৱগত হ'ব।
- ইতিহাসবিদসকলে কেনেকৈ বিভিন্ন উৎসৰ আলমত অতীত সম্বন্ধে অধ্যয়ন কৰে, সেই বিষয়ে জানিব।
- এখন ঠাই বা এটা অঞ্চলৰ সমূহীয়া বিকাশৰ সৈতে ঐতিহাসিক বৈচিত্ৰতাৰ সম্বন্ধ বুজি পাব।
- মানুহৰ দৈনন্দিন জীৱনত ভাৰতীয় সংবিধানৰ প্ৰমূল্যসমূহ আৰু তাৰ গুৰুত্ব প্ৰতিফলিত কৰিব পাৰিব।
- স্থানীয়, ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ত ভাৰতীয় গণতন্ত্ৰ আৰু ইয়াৰ বিভিন্ন অনুষ্ঠান আৰু প্ৰতিষ্ঠানসমূহৰ ভূমিকা সম্পৰ্কে ধাৰণা লাভ কৰিব।
- পৰিয়াল, হাট-বজাৰ আৰু চৰকাৰৰ দৰে অনুষ্ঠানসমূহৰ আৰ্থ-সামাজিক ভূমিকাৰ সৈতে পৰিচিত হ'ব।
- ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু পাৰিপাৰ্শ্বিক প্ৰক্ৰিয়াত সমাজৰ বিভিন্ন স্তৰৰ অৱদানক স্বীকৃতি দিবলৈ শিকিব।



# ষষ্ঠ শ্ৰেণী (সমাজ বিজ্ঞান)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকন ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>❍ পৃথিৱীৰ গতি বুজাবলৈ চিত্ৰ, মডেল আৰু দৃশ্য-শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰিব।<br>❍ জ্যোতিবিজ্ঞানৰ কাৰ্যকলাপ বুজাবলৈ শিক্ষক/অভিভাৱক/জ্যেষ্ঠ লোকৰ তত্ত্বাৱধানত গ্ৰহ, নক্ষত্ৰ, উপগ্ৰহ, সূৰ্যগ্ৰহণ পৰ্যৱেক্ষণ কৰিব।<br>❍ অক্ষাংশ আৰু দ্ৰাঘিমাংশ বুজাবলৈ গোলক ব্যৱহাৰ কৰিব।<br>❍ স্থলমণ্ডল, জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডল বুজাবলৈ চিত্ৰ ব্যৱহাৰ কৰিব।<br>❍ সাগৰ, মহাসাগৰ, মহাদেশ, ভাৰতৰ ৰাজ্যসমূহ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল, ভাৰতৰ প্ৰতিৱেশী দেশবোৰ, ভাৰতৰ প্ৰাকৃতিক উপাদান, যেনে— পৰ্বত, পাহাৰ, মালভূমি, সমভূমি, মৰুভূমি আদি চিনাক্তকৰণৰ বাবে মানচিত্ৰ ব্যৱহাৰ কৰিব।<br>❍ লোককথাৰ অৱলম্বনত সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণৰ আলোচনা কৰিব।<br>❍ প্ৰাচীন ভাৰতৰ বুৰঞ্জী লিখাৰ বাবে | ❍ গ্ৰহ, নক্ষত্ৰ আৰু উপগ্ৰহ উদাহৰণ স্বৰূপে সূৰ্য, পৃথিৱী আৰু চন্দ্ৰৰ পাৰ্থক্য উলিয়াব পাৰিব।<br>❍ পৃথিৱীত জীৱৰ অস্তিত্ব থকাৰ বাবে ইয়াক এটি বিশেষ গ্ৰহ হিচাপে জীৱ মণ্ডলৰ প্ৰসংগত চিনাক্ত কৰিব পাৰিব।<br>❍ দিন-ৰাতি আৰু ঋতুৰ বিষয়ে প্ৰদৰ্শন কাৰ্য ল'ব পাৰিব।<br>❍ পৃথিৱী পৃষ্ঠৰ ওপৰত দিশ নিৰ্ণয় কৰিব পাৰিব আৰু মহাদেশ, মহাসাগৰ চিনাক্তকৰণ কৰিব পাৰিব।<br>❍ গোলক আৰু পৃথিৱীৰ মানচিত্ৰত অক্ষাংশ, দ্ৰাঘিমাংশ সম্পৰ্কীয়, যেনে মেৰু, বিষুব ৰেখা, ক্ৰান্তীয় ৰেখা, ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অন্যান্য প্ৰতিৱেশী দেশ চিনাক্ত কৰিব পাৰিব।<br>❍ ভাৰতৰ মানচিত্ৰত প্ৰাকৃতিক উপাদানসমূহ, যেনে— পাহাৰ, পৰ্বত, মালভূমি, সমতল, নদ-নদী, মৰুভূমি ইত্যাদি চিনাক্ত কৰিব পাৰিব।<br>❍ প্ৰচলিত চিহ্নৰ সহায়ত স্কেল, দিশ আদি উপাদানসহ কাষৰীয়া অঞ্চলৰ মানচিত্ৰ অংকণ কৰিব পাৰিব।<br>❍ গ্ৰহণ সম্পৰ্কে থকা অন্ধবিশ্বাস বোৰৰ ওপৰত সমালোচনাত্মক পৰীক্ষা-নিৰীক্ষা চলাব পাৰিব।<br>❍ ইতিহাস লিখনৰ ক্ষেত্ৰত ইতিহাসৰ বিভিন্ন সমলসমূহ, যেনে— প্ৰত্নতাত্বিক সমল, |



ইতিহাসবিদসকলে কেনেকৈ সমল অধ্যয়ন কৰিছিল, সেইবোৰ বুজাবলৈ বিভিন্ন ছবি, চিত্ৰ, অংকণ কৰা আদিৰ ব্যাখ্যা বা আলোচনাৰ ব্যৱস্থা কৰিব।

- উল্লেখযোগ্য স্থান, চিকাৰী, খাদ্য সংগ্ৰহকাৰী, খাদ্য প্ৰস্তুতকাৰী, আদিম মানৱৰ স্থান, হৰপ্পা সংস্কৃতি, জনপদ, সাম্ৰাজ্য, বুদ্ধ আৰু মহাবীৰৰ বিভিন্ন ঘটনাৰাজি, জীৱনপঞ্জীৰ লগত সম্পৰ্কিত স্থান, ভাৰতৰে সম্পৰ্ক থকা দেশসমূহৰ শিল্পকলা আৰু স্থাপত্যৰ কেন্দ্ৰসমূহ চিনাক্তকৰণৰ বাবে মানচিত্ৰ সম্বলিত ক্ৰিয়াকলাপৰ সহায় ল'ব।
- মহাকাব্য যেনে— ৰামায়ণ, মহাভাৰত অথবা কালিদাসৰ প্ৰসিদ্ধ পুঁথিসমূহৰ উল্লেখ কৰিব।
- বুদ্ধ, জৈন আৰু অন্যান্য ধৰ্মৰ বিচাৰৰাজিৰ মূল ধাৰণা আৰু প্ৰমূল্যসমূহ, আজিৰ যুগত ইয়াৰ প্ৰাসংগিকতা, প্ৰাচীন ভাৰতৰ শিল্পকলা, স্থাপত্য, কলা, সংস্কৃতি আৰু বিজ্ঞানৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতৰ অৱদান আদিৰ আলোচনা কৰিব।
- ঐতিহাসিক ঘটনাৱলী যেনে কলিংগ যুদ্ধৰ পিছত অশোকৰ পৰিৱৰ্তন আৰু সমসাময়িক সাহিত্য ৰাজিৰ ঘটনাৱলীৰ ওপৰত অভিনয়ৰ ব্যৱস্থা কৰিব।
- গণ আৰু সংঘৰ বিৱৰ্তনত ৰাষ্ট্ৰৰ ভূমিকা, ৰাজ্যৰ অৱদান, সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন বংশৰ অৱদান, বৰ্হিৰাষ্ট্ৰৰ সৈতে ভাৰতৰ সম্পৰ্ক আৰু তাৰ প্ৰভাৱসমূহক গুৰুত্ব প্ৰদান কৰি প্ৰকল্প তৈয়াৰ আৰু দলগত আলোচনা কৰিব।

সাহিত্যিক সমলৰ প্ৰাসংগিকতা আলোচনা কৰিব পাৰিব।

- ভাৰতৰ মানচিত্ৰত ঐতিহাসিক স্থান, ক্ষেত্ৰ আদি চিনাক্ত কৰিব পাৰিব।
- আদিম মানৱৰ সংস্কৃতি আৰু বিকাশৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰৰ চিনাক্ত কৰিব পাৰিব।
- ৰাজ্য আৰু বংশবোৰৰ উল্লেখনীয় অৱদান, যেনে— অশোকৰ লিপি, গুপ্ত মুদ্ৰা, পল্লৱসকলৰ ৰথ-মন্দিৰ আদিৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।
- আদিম যুগৰ বিভিন্ন উত্তৰণসমূহ যেনে— চিকাৰ আৰু খাদ্য সংগ্ৰহৰ স্তৰ, খেতিৰ আৰম্ভণি স্তৰ, সিন্ধু উপত্যকাৰ প্ৰথম নগৰৰ উত্থান ইত্যাদিৰ ব্যাখ্যা কৰিব পাৰিব আৰু সমসাময়িক স্থানবোৰৰ উত্তৰণৰ সৈতে সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিব।
- বিভিন্ন সময়ত ৰচিত সাহিত্যবোৰত উল্লেখিত বিষয়, ঘটনা আৰু ব্যক্তিসকলৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।
- ভাৰতৰ ধৰ্ম, শিল্পকলাৰ দ্বাৰা প্ৰভাৱান্বিত ইয়াৰ ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ থূলমূল আভাস পাব।
- সংস্কৃতি আৰু বিজ্ঞান বিশেষকৈ জ্যোতিষ-শাস্ত্ৰ, চিকিৎসা, অংক শাস্ত্ৰ, বিভিন্ন ধাতুৰ জ্ঞানৰ ক্ষেত্ৰখনত ভাৰতৰ বৰঙণিৰ থূলমূল আভাস পাব।
- ঐতিহাসিক বিকাশৰ বিভিন্ন তথ্যবোৰৰ সংশ্লেষণ কৰিব শিকিব।



❍ হৰপ্পা আৰু আদিম মানৱৰ বাসস্থানৰ ভগ্নাৱশেষ ৰখা যাদুঘৰ ভ্ৰমণ কৰি তাৰ ওপৰত আলোচনা অনুষ্ঠিত কৰিব আৰু সেই সংস্কৃতি দুটাৰ ধাৰাবাহিকতা আৰু পৰিৱৰ্তন তুলনা কৰিব।

❍ বৈচিত্ৰতা, বৈষম্য, চৰকাৰ, জীৱিকা আদি বিষয়ৰ ওপৰত অনুষ্ঠিত আলোচনাত অংশগ্ৰহণ কৰাব।

❍ পৰিয়াল, বিদ্যালয় তথা সমাজৰ পৰিসীমাৰ বাহিৰত লগ পোৱা মানুহৰ ক্ষেত্ৰত যথোচিত তথা পক্ষপাতিত্বমূলক ব্যৱহাৰ পৰ্যৱেক্ষণ কৰাব।

❍ মূল পুঁথিৰ পৰা অধ্যয়ন কৰি গাঁও পঞ্চায়ত, পৌৰ সভা অথবা পৌৰ নিগম (ছাত্ৰ-ছাত্ৰীয়ে বসবাস কৰা ঠাই বা অঞ্চল অনুযায়ী)ৰ কাৰ্যাৱলীসমূহ পৰ্যৱেক্ষণ কৰিবলৈ দিব।

❍ সমাজত শাসন ব্যৱস্থাৰ ভূমিকাৰ বিষয়ে বুজি পোৱাৰ আগতে পৰিয়াল, গাঁও, চহৰ, নগৰ আদিৰ কাম কাজৰ পাৰ্থক্যৰ বিষয়ে আভাস পাব।

❍ নিকটৱৰ্তী গাঁও বা অঞ্চলৰ মূল বৃত্তি বা জীৱিকাৰ আলমত ঘটনাৰ অধ্যয়ন (Case study) কৰিব।

❍ অতীত যুগৰ বিভিন্ন ধৰ্ম আৰু চিন্তাধাৰাৰ মূল ধাৰণা আৰু প্ৰমূল্য সমূহৰ বিশ্লেষণ কৰিবলৈ শিকিব।

❍ নিজৰ চৌপাশৰ মানুহৰ বৈচিত্ৰতাৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰিব পাৰিব।

❍ নিজৰ চৌপাশৰ বিভিন্ন ধৰণৰ বৈচিত্ৰতাৰ ওপৰত সুস্থ মনোভাব গঠন কৰিব পাৰিব।

❍ বিভিন্ন ধৰণৰ ভেদাভেদৰ বিষয়ে বুজিব আৰু ভেদাভেদৰ প্ৰকৃতি আৰু উৎস চিনাক্তকৰণ কৰিব পাৰিব।


❍ সমতা আৰু অসমতাৰ পাৰ্থক্য বুজি সেইবোৰ আঁতৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

❍ চৰকাৰ বিশেষকৈ স্থানীয় পৰ্যায়ৰ চৰকাৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

❍ কেন্দ্ৰীয়/ৰাজ্যিক/প্ৰাদেশিক আৰু স্থানীয় চৰকাৰবোৰ চিনাক্ত কৰিব পাৰিব।

❍ গ্ৰাম্য আৰু চহৰ অঞ্চলৰ স্বাস্থ্য, শিক্ষা আদি খণ্ডবোৰৰ ক্ষেত্ৰত স্থানীয় স্বায়ত্ব শাসনৰ কাৰ্য ব্যাখ্যা কৰিব পাৰিব।

❍ গ্ৰাম্য আৰু চহৰ অঞ্চলৰ জীৱিকাৰ ক্ষেত্ৰখনত থকা পাৰ্থক্যৰ কাৰকসমূহ ব্যাখ্যা কৰিব।



# সপ্তম শ্ৰেণী (সমাজ বিজ্ঞান)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকন ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীক স্বশিকন/যুৰীয়া শিকন/দলীয় শিকনৰ বাবে নিম্ন লিখিত সুবিধাসমূহৰ জৰিয়তে উৎসাহিত কৰিব—<br>❍ উপযুক্ত সমল আৰু বোধগম্য ব্যাখ্যাৰ জৰিয়তে কিছুমান মূল ধাৰণা যেনে— পৰিস্থিতি তন্ত্ৰ, বায়ুমণ্ডল, দুৰ্যোগ, বতৰ, জলবায়ু অঞ্চল আদিৰ লগত পৰিচিত কৰাব।<br>❍ পৰিৱেশৰ বিভিন্ন দিশ যেনে— প্ৰাকৃতিক আৰু মানৱসৃষ্ট উপাদানসমূহ, বিভিন্ন পৰিস্থিতি তন্ত্ৰৰ অন্তৰ্গত উদ্ভিদ প্ৰাণী, জলবায়ু অঞ্চল, বিভিন্ন প্ৰকাৰৰ প্ৰদূষণ, চৌপাশৰ নিৰ্মল পানীৰ উৎসসমূহৰ বিষয়ে আলোচনা কৰিব আৰু নিজৰ পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাসমূহৰ ওপৰত মত বিনিময় কৰাব।<br>❍ গোলক আৰু মানচিত্ৰৰ সহায়ত ঐতিহাসিক স্থান/সাম্ৰাজ্য, জলবায়ু, অঞ্চল আৰু আন আন সম্পদসমূহ চিনাক্ত কৰাব।<br>❍ সাগৰীয় সোঁত, স্থলভাগৰ বিভিন্ন গঠন, পৃথিৱীৰ অন্তৰ্ভাগৰ গঠন আদি বুজিবলৈ চিত্ৰ/মডেল/দৃশ্য সমল/দৃশ্য-শ্ৰাব্য সমলৰ প্ৰয়োগ কৰাব।<br>❍ মাটিৰ বিভিন্ন ধৰণৰ গঠন দেখুৱাবলৈ মডেল প্ৰস্তুত কৰাব।<br>❍ বিভিন্ন ধৰণৰ শিল চিনাক্ত কৰিবলৈ নিকটৱৰ্তী স্থানৰ পৰা শিলৰ নমুনা সংগ্ৰহ কৰাব।<br>❍ ভূমিকম্প আৰু আন আন দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতাৰ ওপৰত পতা নকল কচৰততত অংশগ্ৰহণ কৰাব।<br>❍ প্ৰকৃতি আৰু মানৱসৃষ্ট কাৰকৰ দ্বাৰা সংঘটিত হোৱা দুৰ্যোগ, যেনে— চুনামি, বানপানী, | **শিকাৰু**<br>■ পৃথিৱীৰ অভ্যন্তৰ ভাগৰ স্তৰসমূহ, বিভিন্ন প্ৰকাৰৰ শিলসমূহ আৰু বায়ুমণ্ডলৰ স্তৰসমূহ চিত্ৰৰ জৰিয়তে চিনাক্ত কৰিব।<br>■ পৃথিৱীৰ মানচিত্ৰ অথবা গোলকত বিভিন্ন জলবায়ু অঞ্চলৰ অৱস্থিতি আৰু তাৰ পৰিসৰ নিৰ্ণয় কৰিব।<br>■ ভূমিকম্প, বানপানী, খৰাং আদিৰ দৰে দুৰ্যোগৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া সতৰ্কতামূলক কাৰ্যসমূহ ব্যাখ্যা কৰিব।<br>■ বিভিন্ন কাৰকৰ বাবে হোৱা স্থলভাগৰ গঠন সম্পৰ্কে বৰ্ণনা কৰিব।<br>■ বায়ুমণ্ডলৰ উপাদান আৰু গঠন সম্পৰ্কে বৰ্ণনা কৰিব।<br>■ পৰিৱেশৰ বিভিন্ন উপাদান আৰু সেইবোৰৰ মাজৰ আন্তঃসম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰিব।<br>■ চৌপাশৰ প্ৰদূষণত অৰিহণা যোগোৱা কাৰকসমূহৰ বিশ্লেষণ কৰিব আৰু তাৰ প্ৰতিৰোধ ব্যৱস্থাসমূহৰ তালিকা প্ৰস্তুত কৰিব।<br>■ জলবায়ু আৰু স্থলভাগৰ দৰে কাৰকসমূহৰ উদ্ভিদ আৰু প্ৰাণীৰ মাজৰ বৈচিত্ৰতাৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিব।<br>■ দুৰ্যোগ আৰু দুৰ্ঘটনা সৃষ্টিকাৰী কাৰকসমূহৰ ওপৰত আলোকপাত কৰিব।<br>■ বায়ু, পানী, শক্তি, উদ্ভিদ আৰু প্ৰাণী আদি সংৰক্ষণৰ ক্ষেত্ৰত সংবেদনশীল হ'বলৈ |



ভূমিকম্প আদিৰ ওপৰত আলোচনা কৰাব।

❍ ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক অঞ্চলত বসবাস কৰা মানুহৰ জীৱন প্ৰণালীৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ ওপৰত আলোকপাত কৰাব।

❍ কিতাপত বৰ্ণিত ইতিহাসৰ বিভিন্ন উৎস, সমাজত উপলব্ধ অন্যান্য সমল, যেনে— পাণ্ডুলিপিৰ সাৰাংশ, মানচিত্ৰ, চিত্ৰ বৰ্ণনা, চিত্ৰ, ঐতিহাসিক কীৰ্তি-চিহ্ন, কথাছবি, জীৱনীমূলক নাটক, টিভি ধাৰাবাহিক, লোক-নাট্য আদিৰ লগত পৰিচিত কৰাই ঘটনাৰ সঠিক সময়ৰ ধাৰণা দিব।

❍ নতুন বংশৰ উত্থানৰ সৈতে পৰিচিত কৰোৱাৰ লগতে সেই সময়ৰ উল্লেখযোগ্য ঘটনাৱলীৰ সময় তালিকা প্ৰস্তুত কৰিবলৈ দিব।

❍ ৰেজিয়া চুলতানা, আকবৰ আদিৰ দৰে ঐতিহাসিক চৰিত্ৰসমূহৰ সমসাময়িক কালৰ উল্লেখযোগ্য ঘটনাৱলীৰ নাট্যৰূপ দিয়াৰ ব্যৱস্থা কৰিব।

❍ মধ্যযুগৰ পৰা বৰ্তমান সময়লৈ সমাজত হোৱা পৰিৱৰ্তনসমূহৰ ওপৰত তুলনাত্মক আলোচনা কৰিব।

❍ খিলিজি আৰু মোগল সকলৰ বংশ/সাম্ৰাজ্য/ প্ৰশাসনিক সংস্কাৰ আৰু উল্লেখনীয় স্থাপত্যৰ ওপৰত প্ৰকল্প প্ৰস্তুত কৰিবলৈ দিব।

❍ ভক্তি আৰু চুফী সন্তসকলৰ কবিতা, ভজন, কীৰ্তন, কাৱালী আৰু নিকটৱৰ্তী দৰগাহ, গুৰুদ্বাৰ, মন্দিৰ আদি দৰ্শনৰ জৰিয়তে নব্য ধৰ্মীয় মতবাদৰ উত্থানৰ লগত জড়িত কাৰকসমূহ চিনাক্ত কৰিব আৰু ভিন ভিন ধৰ্মৰ মূল-মন্ত্ৰসমূহৰ পাৰ্থক্য বুজাত সহায় কৰিব।

❍ গণতন্ত্ৰ, সমতা, ৰাজ্য চৰকাৰ, লিংগ, প্ৰচাৰ মাধ্যম আৰু বিজ্ঞাপন আদি বিষয়ৰ আলোচনাত অংশগ্ৰহণ কৰাব।

উৎসাহিত কৰিব।

■ ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন জলবায়ু অঞ্চল আৰু তাত বসবাস কৰা লোকসকলৰ জীৱন প্ৰণালীৰ আন্তঃসম্পৰ্কৰ ওপৰত আলোচনা কৰিব।

■ কোনো বিশেষ অঞ্চলৰ বিকাশত প্ৰভাৱ পেলোৱা কাৰকসমূহৰ ওপৰত আলোচনা কৰিব।

■ ইতিহাসৰ বিভিন্ন সময়ৰ অধ্যয়নৰ বেলিকা উৎসসমূহৰ উদাহৰণ দি আলোচনা কৰিব।

■ মধ্যযুগত সংঘটিত হোৱা দুখন ঠাইৰ ঘটনাৱলীৰ ঐতিহাসিক বিকাশ সম্পৰ্কে বিচাৰ কৰিব।

■ বিভিন্ন জনজাতি, অঘৰী পশুপালক আৰু অঘৰী সকলৰ বসতি এলেকাৰ ভৌগোলিক অৱস্থা আৰু জীৱন-ধাৰণ প্ৰণালীৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিব।

■ মধ্যযুগৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনসমূহ বিশ্লেষণ কৰিব।

■ খিলিজি, টোগলক আৰু মোগলসকলে গ্ৰহণ কৰা সামৰিক নিয়ন্ত্ৰণ, প্ৰশাসনিক ব্যৱস্থা আৰু কৌশলৰ ওপৰত আলোচনা কৰিব।

■ বিভিন্ন শাসন ব্যৱস্থা আৰু নীতিৰ মাজৰ পাৰ্থক্যৰ বিষয়ে আলোচনা কৰিব।

■ মন্দিৰ, মছজিদ, গম্বুজ আদিৰ নিৰ্মাণত ব্যৱহৃত উল্লেখনীয় শৈলী আৰু প্ৰযুক্তিসমূহৰ বিষয়ে আলোচনা কৰিব।

■ ভক্তিবাদ আৰু চুফীবাদৰ দৰে নব্যধৰ্মীয় মতবাদসমূহক প্ৰভাৱিত কৰা কাৰকসমূহৰ বিশ্লেষণ কৰিব।

■ প্ৰচলিত সামাজিক ধাৰা সন্দৰ্ভত



❍ ভাৰতীয় সংবিধান, সংবিধানৰ প্ৰস্তাৱনা, সমতাৰ অধিকাৰ আৰু সমতাৰ সংগ্ৰামৰ গুৰুত্বৰ ওপৰত অংকিত চিত্ৰ আৰু ছবি সম্বলিত পোষ্টাৰ প্ৰস্তুত কৰিবলৈ দিব।

❍ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বিধান-সভা সমষ্টিৰ মানচিত্ৰ পৰ্যৱেক্ষণ কৰাব।

❍ নকল নিৰ্বাচন আৰু যুৱ সংসদৰ আয়োজন কৰিব।

❍ প্ৰচাৰ মাধ্যমৰ ভূমিকাৰ ওপৰত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব।

❍ গণতন্ত্ৰত সমতা আৰু মহিলাসকলে সন্মুখীন হোৱা নানা ধৰণৰ বৈষম্যৰ ওপৰত বৰ্ণিত গান আৰু কবিতাৰে অভিনয় অনুষ্ঠিত কৰিব।

❍ গাঁও আৰু চহৰত বসবাস কৰা মহিলা আৰু ছোৱালীসকলৰ জীৱনৰ মান সম্পৰ্কে বৰ্ণনা ধৰ্মী আৰু সমালোচনাধৰ্মী লিখনিৰ জৰিয়তে মতামত দাঙি ধৰিব।

❍ সুস্থ সমাজগঠনৰ ক্ষেত্ৰত কাম কৰা মহিলাসকলৰ অৱদানৰ বিষয়ে মৌখিক আৰু লিখিত ভাৱে উপস্থাপন কৰিব।

❍ ৰাজ্য চৰকাৰৰ কেতবোৰ নিৰ্দিষ্ট বিষয়ৰ ওপৰত সম্পাদিত কাম যেনে— স্বাস্থ্য, খাদ্য, কৃষি, ৰাস্তা-ঘাট আৰু বিধান সভাৰ সদস্যই নিজ সমষ্টি উন্নয়নৰ ওপৰত কৰা কামৰ বিষয়ে বিভিন্ন বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ অংশসমূহৰ ক'লাজ প্ৰস্তুত কৰিবলৈ অনুপ্ৰাণিত কৰিব।

❍ পানী আৰু শক্তিৰ সংৰক্ষণৰ ওপৰত আধাৰিত বিভিন্ন ধৰণৰ প্ৰচলিত আৰু নতুন বিজ্ঞাপন সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক একক, জুৰীয়া বা দলগতভাৱে প্ৰকল্প নিৰ্মাণৰ সুবিধা প্ৰদান কৰিব।

❍ নিজ নিজ এলেকাৰ পথ সুৰক্ষা, জনস্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ ওপৰত সজাগতা অভিযানৰ আয়োজন কৰিব।

❍ নিজ অঞ্চলত থকা যিকোনো চৰকাৰী কাৰ্যালয় (যেনে— ডাকঘৰ, পঞ্চায়ত, ডাক্তৰখানা আদিৰ) কামকাজসমূহ পৰ্যৱেক্ষণ কৰি সংক্ষিপ্ত টোকা প্ৰস্তুত কৰিবলৈ দিব।

❍ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে স্থানীয় হাট, বজাৰ, শ্বপিং কমপ্লেক্স আদিৰ বিষয়ে প্ৰকল্প অথবা ঘটনা অধ্যয়ন ভক্তিবাদী আৰু চুফীবাদী সন্তসকলৰ কবিতাৰ পৰা নিসৃত ধাৰণাসমূহ উল্লেখ কৰিব।

■ গণতন্ত্ৰত, সমতাৰ গুৰুত্বৰ ওপৰত ব্যাখ্যা কৰিব।

■ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমতাৰ মাজৰ পাৰ্থক্য বিশ্লেষণ কৰিব।

■ সমতাৰ অধিকাৰ প্ৰসংগত নিজ নিজ অঞ্চলৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়সমূহৰ বিশ্লেষণ কৰিব।

■ স্থানীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজৰ পাৰ্থক্য বুজাই দিব।

■ বিধান সভাৰ নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কে ব্যাখ্যা কৰিব।

■ ৰাজ্য আৰু কেন্দ্ৰ শাসিত বিধান সভা সমষ্টিৰ মানচিত্ৰৰ পৰা নিজ নিজ সমষ্টি আৰু বিধায়কৰ নাম চিনাক্ত কৰিব।

■ সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলে সন্মুখীন হোৱা অসুবিধাসমূহৰ কাৰণ আৰু পৰিণাম বিশ্লেষণ কৰাব।

■ ভাৰতৰ বিভিন্ন অঞ্চলৰ সফল মহিলাসকলক চিনাক্ত কৰাব।


■ যথোপযুক্ত উদাহৰণেৰে সমাজৰ বিভিন্ন দিশত অৱদান যোগোৱা মহিলাসকলৰ বিষয়ে ব্যাখ্যা কৰিব।

■ বাতৰি কাকতৰ পৰা সংগৃহীত গঠনমূলক উদাহৰণৰ সৈতে প্ৰচাৰ মাধ্যমৰ কাৰ্যসমূহ ব্যাখ্যা কৰিব।

■ বিজ্ঞাপন তৈয়াৰ কৰিব।


■ বিভিন্ন ধৰণৰ বজাৰসমূহৰ মাজৰ পাৰ্থক্য বিশ্লেষণ কৰিব।

■ বিভিন্ন বজাৰলৈ সামগ্ৰীসমূহ কেনেদৰে সৰবৰাহ কৰা হয় বিচাৰি উলিয়াব।



# অষ্টম শ্ৰেণী (সমাজ বিজ্ঞান)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকন ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীক স্বশিকন/যুৰীয়া শিকন/দলীয় শিকনৰ বাবে নিম্নোলিখিত সুবিধাসমূহৰ জৰিয়তে উৎসাহিত কৰিব।<br>■ ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ পৰিৱেশৰ প্ৰাকৃতিক সম্পদবোৰ যেনে— মাটি, ভূমি, পানী, প্ৰাকৃতিক উদ্ভিদ, বন্যপ্ৰাণী, খনিজ পদাৰ্থ, শক্তি সম্পদ, বিভিন্ন শিল্পোদ্যোগৰ তথ্য সংগ্ৰহ কৰি সেইবোৰক ভাৰত আৰু বিশ্ব পৰিৱেশৰ লগত যুক্ত কৰিবলৈ দিব।<br>■ ওচৰ চুবুৰীয়া অঞ্চল, জিলা আৰু জিলাত প্ৰচলিত বিভিন্ন কৃষি প্ৰক্ৰিয়া চিনাক্ত কৰিব আৰু কৃষকৰ লগত মত বিনিময় কৰাব।<br>■ আন আন ৰাজ্যৰ বা ৰাষ্ট্ৰত থকা বিভিন্ন প্ৰাকৃতিক সম্পদসমূহৰ লগত চিনাকি হোৱাৰ বাবে ছবি, বাতৰিৰ শিৰোনাম, ভিডিঅ' আদিৰ ব্যৱহাৰ কৰিবলৈ দিব।<br>■ প্ৰাকৃতিক সম্পদ আৰু মানৱসৃষ্ট সম্পদৰ সংৰক্ষণৰ ওপৰত প্ৰকল্প প্ৰস্তুত কৰিব।<br>■ সমনীয়াৰ লগত বনজুই, ভূমিস্খলন, ঔদ্যোগিক দুৰ্যোগৰ প্ৰাকৃতিক আৰু মানৱ সৃষ্ট কাৰণসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়ে আলোচনা কৰিবলৈ দিব।<br>■ পৃথিৱীৰ প্ৰধান কৃষি অঞ্চল, ঔদ্যোগিক দেশ আৰু অঞ্চল, পৃথিৱীৰ জনসংখ্যা বিতৰণৰ ব্যপ্ততা জানিবলৈ মানচিত্ৰ/ভূচিত্ৰাৱলী ব্যৱহাৰ কৰিব। | **শিকাৰু—**<br>■ কেঁচামাল, আকৃতি আৰু মালিকীস্বত্বৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্ৰকাৰৰ উদ্যোগৰ শ্ৰেণী বিভাজন কৰিব পাৰিব।<br>■ নিজ নিজ অঞ্চল/ৰাজ্যত উৎপাদিত মূল খাদ্য- শস্য, খেতিৰ প্ৰকাৰ আৰু কৃষি ব্যৱস্থাৰ বাখ্যা কৰিব পাৰিব।<br>■ অসমভাৱে জনসংখ্যা বিতৰণৰ কাৰণ বাখ্যাৰ বাবে পৃথিৱীৰ মানচিত্ৰ ব্যৱহাৰ কৰিব পাৰিব।<br>■ বনজুই, ভূমিস্খলন, ঔদ্যোগিক দুৰ্যোগ আৰু এইবোৰৰ ক্ৰম হ্ৰাসমান ব্যৱস্থাৰ কাৰণ বাখ্যা কৰিব পাৰিব।<br>■ পৃথিৱীৰ মানচিত্ৰত কয়লা আৰু খনিজ তেলৰ বিতৰণ চিনাক্ত কৰিব পাৰিব।<br>■ পৃথিৱীত প্ৰাকৃতিক আৰু মানৱসৃষ্ট সম্পদসমূহৰ অসম বিতৰণ বিশ্লেষণ কৰিব পাৰিব।<br>■ সকলো অঞ্চলৰ বিকাশৰ বাবে পানী, মাটি, অৰণ্যৰ নায্য ব্যৱহাৰৰ যুক্তিযুক্ততা বিচাৰি পাব।<br>■ কি কি কাৰকৰ বাবে কিছুমান দেশ ধান, গম, কপাহ, মৰাপাট আদি শস্য উৎপাদনৰ |



■ বিভিন্ন যুগৰ ব্যক্তি আৰু সম্প্ৰদায়ৰ অভিজ্ঞতাৰ বৰ্ণনা আৰু গল্প পঢ়িবলৈ দিব।

■ শ্ৰেণী কক্ষত আৰু দলত ঘটনা আৰু প্ৰক্ৰিয়াবোৰৰ আলোচনা কৰিব।

■ বিভিন্ন বিষয়ৰ ওপৰত, যেনে— "ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কিয় ভাৰতীয় শাসকসকলৰ মাজৰ কাজিয়াত জড়িত হৈছিল?" প্ৰশ্ন উপস্থাপন কৰিব।

■ ইতিহাস প্ৰসিদ্ধ স্থানসমূহ যিবোৰ ঔপনিৱেশিক শাসনৰ লগত জড়িত আৰু ভাৰতৰ জাতীয় সংগ্ৰামৰ লগত সম্পৰ্কিত সেইবোৰ ভ্ৰমণ কৰিব।

■ (ক) গান্ধীজীৰ অহিংসানীতি আৰু জাতীয় সংগ্ৰামত ইয়াৰ প্ৰভাবৰ ওপৰত ৰচনা লিখা (খ) ভাৰতীয় জাতীয় সংগ্ৰামৰ বিভিন্ন ঘটনাৰাজিৰ সময় তালিকা প্ৰস্তুত (গ) চৌৰিচোৰাৰ ঘটনাৰ ওপৰত নাটক ৰচনা (ঘ) ঔপনিৱেশিক কালৰ ব্যৱসায়িক শস্যৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ মানচিত্ৰ প্ৰস্তুত আদি বিভিন্ন ধৰণৰ প্ৰকল্প আৰু ক্ৰিয়াকলাপ কৰিবলৈ দিব।

■ দেশীয় আৰু ইংৰাজ লিখকৰ টোকা, আত্মজীৱনী, জীৱনী, উপন্যাস, ছবি, চিত্ৰ, সমসাময়িক লিখনি, তথ্য, বাতৰি কাকতৰ ৰিপোৰ্ট, চিনেমা, তথ্যচিত্ৰ বৰ্তমানৰ লিখনি আদি বিভিন্ন বিষয়ৰ লগতে জনাৰ বাবে আৰু ইতিহাস সংকলণৰ বাবে পৰিচিত হ'ব।

■ "পলাশীৰ যুদ্ধ কিয় সংঘটিত হৈছিল"— আদিৰ লেখিয়া উদ্ভাৱনী আৰু প্ৰাসংগিক বিষয়ৰ সহায়ত স্ব-মূল্যায়ন কৰিবলৈ দিব।

■ সংবিধানৰ ধাৰণা, সংসদ, ন্যায়পালিকা বাবে বিখ্যাত, সেই কাৰকবোৰ বিশ্লেষণ কৰিব পাৰিব আৰু পৃথিৱীৰ মানচিত্ৰত সেই ঠাইবোৰ বিচাৰি উলিয়াব পাৰিব।

■ পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ কৃষিৰ প্ৰকাৰ আৰু বিকাশৰ পাৰস্পৰিক সম্বন্ধ নিৰ্ণয় কৰিব পাৰিব।

■ দণ্ডচিত্ৰৰ সহায়ত পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰত আৰু ইয়াৰ ৰাজ্যসমূহৰ জনসংখ্যা দেখুৱাব পাৰিব, বিভিন্ন উৎসৰ সহায়ত প্ৰাচীন, মধ্য আৰু আধুনিক যুগৰ মাজৰ পাৰ্থক্য ঠাৱৰ কৰিব পাৰিব; ভাৰত উপ মহাদেশৰ বিভিন্ন অঞ্চলসমূহৰ নামকৰণ আৰু ইয়াৰ সামূহিক বিকাশৰ বিষয়ে জানিব পাৰিব।

■ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেকৈ এক নিয়ন্ত্ৰণকাৰী শক্তি হিচাপে পৰিগণিত হৈছিল, সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

■ ভাৰতৰ বিভিন্ন অঞ্চলত ঔপনিৱেশিক ভূমি নীতিয়ে পৃথকভাৱে পেলোৱা প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। উদাহৰণস্বৰূপে— 'নীল বিপ্লৱ'।

■ ১৯ শতিকাৰ জনজাতীয় সমাজৰ ভিন ভিন প্ৰকাৰৰ বিষয়ে অৱগত হোৱাৰ লগতে পৰিৱেশৰ লগত তেওঁলোকৰ সম্বন্ধৰ বিষয়ে জ্ঞান লাভ কৰিব।

■ জনজাতীয় সম্প্ৰদায়সমূহৰ বাবে ঠাৱৰ কৰা ঔপনিৱেশিক প্ৰশাসনীয় নীতি সম্পৰ্কে অৱগত হ'ব।



আৰু প্ৰান্তীয় গোট আদি বিষয়ৰ আলোচনাত অংশ গ্ৰহণ কৰিবলৈ দিব।

■ ভাৰতৰ সংবিধানৰ তাৎপৰ্য, প্ৰস্তাৱনা, সংসদীয় চৰকাৰ, ক্ষমতাৰ পৃথকীকৰণ, যুক্তৰাষ্ট্ৰ আদি বিষয়ৰ ওপৰত ছবি সম্বলিত পোষ্টাৰ প্ৰস্তুত কৰিবলৈ দিব।

■ সংবিধানত উল্লেখিত নীতিসমূহ, যেনে— সমতা, স্বাধীনতা, ভ্ৰাতৃত্ব, কেনেদৰে শ্ৰেণীকক্ষ, বিদ্যালয়, ঘৰ আৰু সমাজত অভ্যাস কৰা হয় সেইবোৰৰ ওপৰত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব।

## শিক্ষণৰ যথাযোগ্য পৰামৰ্শ

■ মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যৰ ওপৰত ব্যক্তিগত, যুৱীয়া নাইবা দলগত প্ৰকল্প কৰিবলৈ দিব।

■ টিভিৰ পৰ্দাত সম্প্ৰচাৰিত ৰাজ্য সভা আৰু সংবিধানৰ ধাৰাবাহিক বিৱৰণী, গান্ধী, সৰদাৰ, বল্লভ ভাই পেটেল, ড° বাবাচাহেব আদিৰ চলচ্চিত্ৰ উপভোগ আৰু আলোচনা কৰিব দিব।

■ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ সংসদীয় সমষ্টিবোৰ মানচিত্ৰত পৰ্যৱেক্ষণ কৰিবলৈ দিব।

■ উপযুক্ত বিধি-বিধান সহ নকল নিৰ্বাচন আৰু যুৱ সংসদ অনুষ্ঠিত কৰাৰ ব্যৱস্থা ল'ব।

■ নিজ নিজ অঞ্চলৰ পঞ্জীয়ন ভোটাৰ সকলৰ এখন ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ দিব।

■ ভোটাধিকাৰৰ তাৎপৰ্যৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে নিজ নিজ অঞ্চলত সজাগতা সভা অনুষ্ঠিত কৰিবলৈ দিব।

■ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ মূল কাৰণ, বিদ্ৰোহৰ প্ৰকৃতি, বিস্তাৰ আৰু তাৰ পৰা লাভ কৰা অভিজ্ঞতাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

■ ঔপনিৱেশিক ভাৰতবৰ্ষত উপলব্ধ পুৰণি নগৰ কেন্দ্ৰ আৰু হস্তশিল্প উদ্যোগ সমূহৰ ক্ৰমশঃ অৱনতি আৰু নতুন নগৰ কেন্দ্ৰ আৰু উদ্যোগৰ প্ৰসাৰৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব।

■ ভাৰতবৰ্ষৰ নতুন শিক্ষা ব্যৱস্থাৰ আনুষ্ঠানিকতাকৰণ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

■ জাত-পাত, মহিলা, বিধবা-বিবাহ, বাল্য-বিবাহ, সমাজ সংস্কাৰ আদিৰ লগত জড়িত বিষয়সমূহ আৰু এই সন্দৰ্ভত ঔপনিৱেশিক প্ৰশাসনৰ নীতি সম্পৰ্কে অৱগত হ'ব।

■ আধুনিক যুগৰ শিল্প কলাৰ ক্ষেত্ৰত হোৱা উল্লেখযোগ্য বিকাশ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

■ ১৮৭০ চনৰ পৰা স্বাধীনতাৰ সময়লৈকে ভাৰতবৰ্ষৰ জাতীয় আন্দোলনৰ বিভিন্ন পৰ্যায়সমূহ বৰ্ণনা কৰিব পাৰিব।

■ ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ উল্লেখযোগ্য বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

■ ভাৰতীয় সংবিধানৰ আধাৰত নিজ নিজ অঞ্চলৰ সামাজিক আৰু ৰাজনৈতিক বিষয়সমূহ ব্যাখ্যা কৰাৰ লগতে উপযুক্ত উদাহৰণেৰে মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যসমূহৰ বিষয়ে মতামত দিব পাৰিব।

■ কোনো বিশেষ পৰিস্থিতিত কাৰোবাৰ



■ নিজ নিজ সংসদীয় সমষ্টিত সাংসদে লোৱা ৰাজহুৱা কামবোৰৰ তালিকা কৰিব।

■ এখন এজাহাৰৰ বিষয়বস্তু পৰীক্ষা কৰিবলৈ দিব।

■ বিচাৰকে কাজিয়া মীমাংসাৰ অন্তত দিয়া ৰায়দানৰ ওপৰত সমালোচনাত্মক বৰ্ণনা লিখিবলৈ দিব।

■ হিংসা, মানৱ অধিকাৰ, সংৰক্ষণ, সংবৰ্ধন বিশেষ মহিলা, অনুসূচীত জাতি, জনজাতি, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু, শাৰীৰিকভাৱে অক্ষম লোক, বিশেষ প্ৰয়োজন সম্পন্ন শিশু, পৰিষ্কাৰ-পৰিছন্নতা নিয়োজিত শ্ৰমিক আৰু আন আন অৱহেলিত শ্ৰেণীৰ লোকৰ ওপৰত বিশেষ দলগত আলোচনাৰ ব্যৱস্থা কৰিব।

■ "মই কালাম", হিন্দী তথ্যচিত্ৰখন উপভোগ কৰিব আৰু আলোচনা কৰিব।

■ শিশু শ্ৰমিক, শিশুৰ অধিকাৰ আৰু ফৌজদাৰী বিচাৰ ব্যৱস্থাৰ ওপৰত অভিনয়ৰ ব্যৱস্থা কৰিব।

■ নিজ নিজ অঞ্চলত এটি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়, যেনে— ডাকঘৰৰ কাৰ্যকলাপ পৰ্যৱেক্ষণ কৰি এটি চমু টোকা বনাব।

■ ৰাজহুৱা সুবিধা আৰু পানী যোগান, বিজুলী যোগান, পৰিষ্কাৰ-পৰিছন্নতাৰ ক্ষেত্ৰত অসমতাৰ কাৰণৰ বিভিন্ন অভিজ্ঞতা দলত আলোচনা কৰিব।

■ ৰাজহুৱা সা-সুবিধাৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ ওপৰত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব।

■ আইন প্ৰণয়ন কাৰ্যকাৰীকৰণত অৱহেলা আৰু ক্ষতিপূৰণ দিয়াত বিলম্বৰ উদাহৰণ বুজাবলৈ ঘটনা আৰু বাতৰিৰ শিৰোণামৰ যোগান ধৰিব।

■ অৰ্থনৈতিক ক্ৰিয়াকলাপ নিয়ন্ত্ৰণত চৰকাৰৰ ভূমিকা উদাহৰণ স্বৰূপে ভূপাল গেছ দুৰ্ঘটনাৰ কাৰণ বিশ্লেষণৰ ওপৰত দলগত আলোচনাৰ ব্যৱস্থা কৰা।

নিৰাপত্তা, উন্নতি সাধন অথবা অধিকাৰ উলংঘনৰ ক্ষেত্ৰত মৌলিক অধিকাৰ প্ৰদত্ত জ্ঞান প্ৰয়োগ কৰিব পাৰিব। (উদাহৰণ স্বৰূপে শিশুৰ অধিকাৰ)।

■ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব।

■ লোকসভা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।

■ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লোকসভা সমষ্টিৰ মানচিত্ৰৰ পৰা নিজ নিজ সমষ্টি চিনাক্ত কৰাৰ লগতে সেই সমষ্টিৰ প্ৰতিনিধি জনৰ নাম জানিব।

■ আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে জানিব পাৰিব। উদাহৰণ স্বৰূপে—শিশুৰ শিক্ষাৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ, পাৰিবাৰিক হিংসা নিবাৰক আইন আদি।

■ উল্লেখযোগ্য উদাহৰণ দি ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ কাৰ্যকলাপসমূহ বৰ্ণনা কৰিব পাৰিব।

■ প্ৰাথমিক তথ্যৰ প্ৰতিবেদন কেনেকৈ দাখিল কৰে তাৰ বিষয়ে জানিব পাৰিব।

■ পিছপৰা শ্ৰেণীৰ লোকসকলে সন্মুখীন হোৱা অনগ্ৰসৰতাৰ কাৰণ আৰু পৰিণাম সন্দৰ্ভত অৱগত হ'ব।

■ বিভিন্ন ধৰণৰ সুবিধাসমূহ যেনে পানী, অনাময় ব্যৱস্থা, ৰাস্তা-ঘাট, বিজুলী আদি জনসাধাৰণক প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা আৰু সেইসমূহৰ উপলব্ধতাক চিনাক্ত কৰিব পাৰিব আৰু বুজিব পাৰিব।

■ অৰ্থনৈতিক কামকাজসমূহ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

